Prime Minister’s telephone conversation with Russian President Vladimir Putin (Assamese Translation)

ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে প্ৰধানমন্ত্ৰীৰ ফোনযোগে বাৰ্তালাপ ।

মাৰ্চ ১৮, ২০১৪

ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে আজি সন্ধিয়া ৭.৩০ বজাত প্ৰধানমন্ত্ৰীক টেলিফোন কৰে আৰু ইউক্ৰেইনত সংঘটিত হোৱা পৰিস্থিতি সম্পৰ্কে আলোচনা কৰে আৰু ক্ৰীমিয়াৰ শেহতীয়া ৰাজহুৱা মতামত সন্দৰ্ভটো দুয়োগৰাকী নেতাই ফোনযোগে আলোচনা কৰে ।

ইউক্ৰেইনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত ৰাছীয়াৰ স্থিতি সম্পৰ্কে বিশদ ভাৱে অৱগত কৰোৱাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি পুটিনক ধন্যবাদ জ্ঞাপন কৰে । তেওঁ দেশ সমূহত ঐক্যতা আৰু দেশৰ ভৌগলিক অখণ্ডতা বিষয়ত ভাৰতৰ চিৰন্তন স্থিতি সম্পৰ্কে গুৰুত্ব সহকাৰে ৰাষ্ট্ৰপতি গৰাকীক জানিব দিয়ে ।সকলো দিশৰ পৰা ইতিবাচক কাৰ্য্যৰ দ্বাৰা আৰু সকলোৱে মিলিত ভাৱে অঞ্চলটোৰ সকলো দেশৰ আইন অনুসৰি পাব লগিয়া অধিকাৰ সন্দৰ্ভত যাতে কোনো বাধা নজন্মে তাৰ বাবে সুৰক্ষা প্ৰদান কৰিব পৰাকৈ ৰাজনৈতিক আৰু কূটনৈতিক সমাধান কৰাৰ অৰ্থে আৰু ইউৰোপ আৰু তাৰ সীমাৰ বাহিৰতো শান্তি আৰু স্থিৰতা সদায় যাতে বাহাল থাকে প্ৰধানমন্ত্ৰী গৰাকীয়ে তাৰ বাবে আশা ব্যক্ত কৰে ।

প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতি পুটিনে ভাৰত আৰু ৰাছীয়াৰ মাজৰ নিকটতম সম্পৰ্ক আৰু দুয়োপক্ষৰ অংশীদাৰিত্বৰ লাভালাভৰ বিষয়ে আলোচনা কৰে আৰু দুয়োখন দেশৰ বিশেষ আৰু সন্মানিয় কৌশলগত অংশীদাৰিত্বৰ গুৰুত্বতাক পুনৰবাৰ দুয়োজনে আশ্বাস প্ৰদান কৰে ।শেহতীয়া বছৰবোৰত ৰাষ্ট্ৰপতি পুটিনে ভাৰত আৰু ৰাছীয়াৰ মাজৰ কৌশলগত অংশীদাৰিত্বক আৰু অধিক গভীৰ আৰু মজবুত কৰাৰ অৰ্থে গ্ৰহন কৰা ব্যক্তিগত নেতৃত্বৰ বাবেও প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি গৰাকীক ধন্যবাদ জ্ঞাপন কৰে ।

নতুন দিল্লী

মার্চ ১৮,২০১৪